Regional News Bulletin
All India Radio, Guwahati
0000000000

**Date :** 15-08-2024
**Time :** 1845 hrs

*Assamese Evening Bulletin*

**Headlines**

000000000

১। সমগ্ৰ দেশত ৭৮ সংখ্যক স্বাধীনতা দিৱস পালন। লালকিল্লাৰ পৰা ৰাষ্ট্ৰক উদ্দেশ্যি দিয়া ভাষণত প্ৰযুক্তিগত সামগ্ৰীৰ উপলভ্যতা বৃদ্ধিৰ ক্ষেত্ৰত কেন্দ্ৰীয় চৰকাৰে গুৰুত্ব আৰোপ কৰিছে বুলি প্ৰধানমন্ত্ৰীৰ প্ৰকাশ।

২। সমগ্ৰ ৰাজ্যজুৰি ৭৮ সংখ্যক স্বাধীনতা দিৱস উদযাপন। কেইবাখনো জিলাত মন্ত্ৰী-বিধায়কৰ ৰাষ্ট্ৰীয় পতাকা উত্তোলন।

৩। গুৱাহাটীত স্বাধীনতা দিৱসৰ পতাকা উত্তোলন কৰি দিয়া ভাষণত মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাৰ দেশৰ ৫ খন দ্ৰুত বিকশিত ৰাজ্যৰ ভিতৰত অসম অন্যতম বুলি মন্তব্য।

৪। উত্তৰ পূৰ্বাঞ্চলৰ আটাইকেইখন ৰাজ্যতে বৰ্ণাঢ্য কাৰ্যসূচীৰে দেশৰ ৭৮ সংখ্যক স্বাধীনতা দিৱস উদযাপন।

**আৰু**

৫। অহা ২৮ আগষ্টৰ পৰা ৮ ছেপ্তেম্বৰলৈ পেৰিছত হ'বলগীয়া পেৰালিম্পিকত অংশগ্ৰহণ কৰিবলগীয়া ভাৰতীয় এথলীটৰ দলটোক প্ৰধানমন্ত্ৰীৰ শুভেচ্ছা জ্ঞাপন।

000000000

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে স্বাধীনতাৰ বাবে দেশবাসীয়ে একতা আৰু ত্যাগেৰে কৰা সংগ্ৰাম আৰু সংকল্পৰ দৰেই আজি ১৪০ কোটি দেশবাসীয়েও সেৰা আগবঢ়ালে ২০৪৭ চনত বিকশিত ভাৰতৰ সপোন বাস্তৱত পৰিণত হ'ব বুলি আস্থা প্ৰকাশ কৰিছে। স্বাধীনতা দিৱস উপলক্ষে লালকিল্লাৰ পৰা ৰাষ্ট্ৰক উদ্দেশ্যি দিয়া ভাষণত প্ৰধানমন্ত্ৰীয়ে কয় যে, চৰকাৰে ৰাষ্ট্ৰ প্ৰথম নীতিৰ আধাৰত বিকাশৰ বাবে বিভিন্ন সংস্কাৰ সাধন কৰিছে। প্ৰধানমন্ত্ৰী শ্ৰী মোদীয়ে আজি অৰ্ধপৰিবাহী উৎপাদনৰ ক্ষেত্ৰত গোলকীয় নেতৃত্ব প্ৰদানৰ ক্ষেত্ৰত ভাৰতৰ প্ৰতিশ্ৰুতিবদ্ধতাৰ কথা উনুকিয়াই কয় যে, দেশে অৰ্ধপৰিবাহী সামগ্ৰীৰ ক্ষেত্ৰত আমদানিৰ ওপৰত নিৰ্ভৰশীলতা হ্ৰাস কৰা লক্ষ্য নিৰ্ধাৰণ কৰাৰ লগতে প্ৰযুক্তিগত উপলভ্যতা উন্নত কৰাৰ ক্ষেত্ৰত গুৰুত্ব আৰোপ কৰিছে। তেওঁ লগতে নিৰ্মাণ, গেমিং আৰু ডিজাইনিঙকে ধৰি প্ৰায় সকলো খণ্ডতে ন ন উদ্ভাৱনৰ জৰিয়তে ভাৰতক বিশ্ব নেতৃত্ব হিচাপে গঢ়ি তোলাৰ ক্ষেত্ৰতো গুৰুত্ব আৰোপ কৰে। প্ৰধানমন্ত্ৰীয়ে তেওঁৰ ভাষণত প্ৰাচীন নালন্দা বিশ্ববিদ্যালয়ক পুনৰুজ্জীৱিত কৰি তোলাৰ বিষয়ে আলোকপাত কৰি কয় যে, উচ্চ শিক্ষা আৰু গৱেষণাৰ কেন্দ্ৰ হিচাপে দেশক সমগ্ৰ বিশ্বৰে শিক্ষাৰ প্ৰধান কেন্দ্ৰ হিচাপে গঢ়ি তোলাৰ ওপৰতো বিশেষভাৱে গুৰুত্ব দিয়া হ'ব।

000000000

দেশৰ বিভিন্ন প্ৰান্তৰ লগতে অসমতো ব্যাপক উৎসাহ-উদ্দীপনাৰে আজি ৭৮ সংখ্যক স্বাধীনতা দিৱস উদযাপন কৰা হয়। মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই গুৱাহাটীৰ খানাপাৰা পশু চিকিৎসা মহাবিদ্যালয় খেলপথাৰত আয়োজিত কেন্দ্ৰীয় কাৰ্যসূচীত ৰাষ্ট্ৰীয় পতাকা উত্তোলন কৰি দিয়া ভাষণত কয় যে দেশৰ ৫ খন দ্ৰুতগতিত বিকশিত হোৱা ৰাজ্যৰ ভিতৰত অসম অন্যতম। দীৰ্ঘস্থায়ী বিকাশৰ লক্ষ্যত উপনীত হোৱাৰ ক্ষেত্ৰতো অসম এখন আগশাৰীৰ ৰাজ্য হিচাপে পৰিগণিত হৈছে বুলি তেওঁ কয়। ভাষণৰ আৰম্ভণিতে মুখ্যমন্ত্ৰীগৰাকীয়ে দেশৰ বাবে প্ৰাণ আহুতি দিয়া প্ৰতিগৰাকী ব্যক্তিলৈ শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰে। ভাষণত মুখ্যমন্ত্ৰীয়ে বিগত ১০ বছৰত ৰাজ্যখনৰ ৮০ লাখতকৈ অধিক লোক দৰিদ্ৰতাৰ পৰা মুক্ত হৈছে আৰু ২০৪৭ চনৰ ভিতৰত অসম এখন পূৰ্ণ বিকশিত ৰাজ্যত পৰিণত হ'ব বুলি প্ৰকাশ কৰে। তেওঁ কেইদিনমানৰ পূৰ্বে ঐতিহ্যমণ্ডিত চৰাইদেউ মৈদামক ইউনেস্কৰ বিশ্ব ঐতিহ্য ক্ষেত্ৰৰূপে স্বীকৃতি দিয়াৰ ক্ষেত্ৰত কেন্দ্ৰীয় চৰকাৰে আগবঢ়োৱা সহযোগিতাৰ বাবে ধন্যবাদ জ্ঞাপন কৰে। মুখ্যমন্ত্ৰীয়ে জাগীৰোডত টাটা ছেমি কণ্ডাক্টৰ প্ৰকল্প, ৰিং ৰোড প্ৰকল্পৰ অনুমোদন আদি বিষয়সমূহে অসমক সাংস্কৃতিক, অৰ্থনৈতিক, উদ্যোগিক আদি প্ৰতিটো দিশতে উজ্বলি উঠাৰ পথ প্ৰশস্ত কৰিছে বুলি মন্তব্য কৰে। ৰাজ্যৰ সাংস্কৃতিক জীৱনৰ আত্মাস্বৰূপ সত্ৰসমূহৰ সংৰক্ষণৰ ক্ষেত্ৰতো চৰকাৰে দায়িত্ব  পালন কৰিব আৰু জনসাধাৰণকো এইক্ষেত্ৰত সজাগ হ'বলৈ তেওঁ আহ্বান জনায়। ভাৰত নিৰ্মাণৰ ক্ষেত্ৰত অসমে কিদৰে অৱদান আগবঢ়াব সেই দিশতো চিন্তা-চৰ্চা কৰা বুলি তেওঁ কয়।

ইয়াৰ আগেয়ে মুখ্যমন্ত্ৰীয়ে শ্ৰদ্ধাঞ্জলি কাননত অমৰ শ্বহীদ আৰু স্বাধীনতা সংগ্ৰামীসকলৰ স্মৃতিত শ্ৰদ্ধা তৰ্পন কৰে। অনুষ্ঠানত বীৰ-বীৰাংগনাসকলৰ সাহস আৰু ত্যাগৰ গাঁথা যুগ-যুগলৈ স্মৰণীয় হৈ থাকিব আৰু প্ৰতিগৰাকী ভাৰতীয়ক দেশপ্ৰেমৰ বাণীৰে উদ্বুদ্ধ হ'বলৈ অনুপ্ৰেৰণা যোগাব বুলি তেওঁ মন্তব্য কৰে।

মুখ্যমন্ত্ৰীয়ে আজি কামৰূপ জিলাৰ অন্তৰ্গত ভূমিহীন খিলঞ্জীয়া নাগৰিকক ভূমি পট্টা বিতৰণ কাৰ্যসূচীত অংশ লয়। তেওঁ কয় যে চৰকাৰৰ লক্ষ্য হৈছে এটা বিশেষ জনগাঁথনিগত পৰিৱৰ্তনৰ বাবে ভাবুকিৰ সন্মুখীন হোৱা অসমৰ খিলঞ্জীয়া লোকসকলৰ পৰিচয় সুৰক্ষিত কৰা। এইক্ষেত্ৰত চৰকাৰে প্ৰতিষ্ঠিত স্থানসমূহৰ ভূমি হস্তান্তৰ প্ৰতিহত কৰিবলৈ, অনুসূচিত জনজাতি তথা অনুসূচিত শ্ৰেণীৰ ভূমি সংৰক্ষণ কৰিবলৈ আৰু মাইক্ৰ' ট্ৰাইবেল বেল্টৰ ব্যৱস্থা ৰূপায়ণ কৰিবলৈ এখন শক্তিশালী আৰু কঠোৰ আইন আনিবলৈ প্ৰয়াস কৰি আছে।

ৰাজ্যৰ আন আন জিলাতো স্বাধীনতা দিৱস উপলক্ষে ৰাজ্য চৰকাৰৰ মন্ত্ৰীসকলৰ লগতে স্বায়ত্তশাসিত পৰিষদসমূহৰ মুখ্য কাৰ্যবাহী সদস্যসকলে বিভিন্ন ঠাইত ৰাষ্ট্ৰীয় পতাকা উত্তোলন কৰে। লখিমপুৰত শিক্ষামন্ত্ৰী ডাঃ ৰণোজ পেগুৱে ৰাষ্ট্ৰীয় পতাকা উত্তোলন কৰাৰ পাছত এন চি চি আৰু আন শিক্ষাৰ্থীয়ে পেৰেড প্ৰদৰ্শন কৰে। লখিমপুৰত স্বাধীনতা দিৱসৰ কাৰ্যসূচী সন্দৰ্ভত আমাৰ সংবাদদাতা হিমাদ্ৰী দিহিঙিয়াই এইদৰে কয় –

ভইচ

মন্ত্ৰী ৰঞ্জিত কুমাৰ দাসে বঙাইগাঁৱত, অতুল বৰাই নগাঁৱত, উৰ্খাও গৌড়া ব্ৰহ্মই দৰঙত, চন্দ্ৰমোহন পাটোৱাৰীয়ে কামৰূপত, কেশৱ মহন্তই হোজাইত,  যোগেন মহনে যোৰহাটত, সঞ্জয় কিষাণে তিনিচুকীয়াত, অজন্তা নেওগে গোলাঘাটত, পীযুষ হাজৰিকাই গোৱালপাৰাত, বিমল বৰাই ডিব্ৰুগড়ত, নন্দিতা গাৰ্লোছাই শিলচৰত, জয়ন্ত মল্লবৰুৱাই নলবাৰীত পতাকা উত্তোলন কৰে।

গৃহ নিৰ্মাণ আৰু নগৰ পৰিক্ৰমা বিভাগৰ মন্ত্ৰী অশোক সিংহলে শোণিতপুৰত ৰাষ্ট্ৰীয় পতাকা উত্তোলন কৰে। তেওঁ কয় যে বিগত  বছৰসমূহত শোণিতপুৰ জিলাত বিভিন্ন বিভাগৰ উন্নয়নমূলক আঁচনি সফলতাৰে ৰূপায়ণ কৰি তোলা হৈছে। জিলাখনত স্বাধীনতা দিৱস উদযাপন সন্দৰ্ভত এয়া আমাৰ সংবাদদাতা ৰজত ভৰদ্বাজ–

ভইচ

আনহাতে, বিটিআৰৰ মুখ্য কাৰ্যবাহী সদস্য প্ৰমোদ বড়োৱে কোকৰাঝাৰত, কাৰ্বিআংলং স্বায়ত্ত পৰিষদৰ মুখ্য কাৰ্যবাহী সদস্য তুলিৰাম ৰংহাঙে ডিফুত, উত্তৰ কাছাৰ পাৰ্বত্য স্বায়ত্ত শাসিত পৰিষদৰ মুখ্য কাৰ্যবাহী সদস্য দেৱলাল গাৰ্লোছাই হাফলঙত, বিটিআৰৰ উপ-মুখ্য কাৰ্যবাহী সদস্য গোবিন্দ চন্দ্ৰ বসুমতাৰীয়ে ওদালগুৰিত আৰু অসম বিধানসভাৰ উপাধ্যক্ষ ডাঃ নোমল মমিনে চৰাইদেউত পতাকা উত্তোলন কৰে। ওদালগুৰি জিলাৰ স্বাধীনতা দিৱসৰ কাৰ্যসূচী সন্দৰ্ভত জিলাখনৰ পৰা আমাৰ সংবাদদাতা নাৰায়ণ ডেকাই এইদৰে কয় –

ভইচ

চিৰাং জিলা প্ৰশাসনৰ উদ্যোগত আয়োজিত স্বাধীনতা দিৱসৰ ৰাষ্ট্ৰীয় পতাকা উত্তোলন কৰি জিলাখনৰ আয়ুক্ত পি বিজয় ভাস্কৰ ৰেড্ডিয়ে স্বাধীনতা আন্দোলনত প্ৰাণ আহুতি দিয়া বীৰ-বীৰাংগনাসকললৈ শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰে।

ধুবুৰী জিলাতো আজি ৭৮ সংখ্যক স্বাধীনতা দিৱস উপলক্ষে বৰ্ণাঢ্য কাৰ্যসূচী গ্ৰহণ কৰা হয়। এই সন্দৰ্ভত আমাৰ সংবাদদাতা প্ৰদীপ সাহাই এইদৰে কয় –

ভইচ

স্বাধীনতা দিৱস উপলক্ষে কেন্দ্ৰীয় বন্দৰ, জাহাজ আৰু জলপথ  মন্ত্ৰী সৰ্বানন্দ সোণোৱালৰ উদ্যোগত গুৱাহাটীৰ বশিষ্ঠ চাৰিআলিৰ অসম জল কেন্দ্ৰত আজি ‘ব্ৰহ্মপুত্ৰ কলিং’ শীৰ্ষক এখন মুকলি কুইজ প্ৰতিযোগিতাৰ আয়োজন কৰা হয়।

স্বাধীনতা দিৱসৰ লগত সংগতি ৰাখি বৰপেটা জিলা কাৰাগাৰত ‘কাৰাগাৰৰ পৰা কাৰিকৰলৈ’ শীৰ্ষক এটা কাৰ্যসূচী মুকলি কৰা হয়। কাৰাধ্যক্ষ নিলোৎপল কাকতিয়ে জানিবলৈ দিয়া মতে এই কাৰ্যসূচীৰ জৰিয়তে কাৰাবন্দীসকলক আত্মনিৰ্ভৰ কৰি তোলাৰ ব্যৱস্থা গঢ়ি তোলা হৈছে। কাৰাবন্দীসকলক বিভিন্ন সামগ্ৰী প্ৰস্তুত কৰাৰ বাবে প্ৰয়োজনীয় প্ৰশিক্ষণ দিয়াৰ ব্যৱস্থা কৰা হৈছে। কোকৰাঝাৰ জিলাতো জিলা কাৰাগাৰত স্থানীয় বিধায়ক লৰেঞ্চ ইছলাৰীয়ে ‘কাৰাগাৰৰ পৰা কাৰিকৰলৈ’ শীৰ্ষক কাৰ্যসূচী মুকলি কৰে। ৰাজ্য চৰকাৰৰ দক্ষতা বিকাশ অভিযানৰ অধীনত মুকলি কৰা এই কাৰ্যসূচীৰ জৰিয়তে কাৰাবন্দীসকলৰ মাজত বিভিন্ন প্ৰয়োজনীয় বিষয়ৰ প্ৰশিক্ষণ দিয়াৰ ব্যৱস্থা কৰা হৈছে।

কৰিমগঞ্জ জিলাত জিলাখনৰ আয়ুক্ত মৃদুল যাদৱে স্বাধীনতা দিৱসৰ ৰাষ্ট্ৰীয় পতাকা উত্তোলন কৰে। বৰাক উপত্যকাৰ স্বাধীনতা দিৱসৰ কাৰ্যসূচী সন্দৰ্ভত কৰিমগঞ্জৰ পৰা আমাৰ সংবাদদাতা জাকাৰীয়া ৰহমানে এইদৰে কয় –

ভইচ

০০০০০০০০০

উত্তৰ পূৰ্বাঞ্চলৰ আটাইকেইখন ৰাজ্যতে আজি দেশৰ ৭৮ সংখ্যক স্বাধীনতা দিৱস উদযাপন কৰা হয়। মিজোৰামত আজি ব্যাপক উৎসাহ-উদ্দীপনাৰে এই দিৱস উদযাপন কৰা হয়। আছাম ৰাইফলছ গ্ৰাউণ্ড লামুৱালত আয়োজিত ৰাজ্যিক কাৰ্যসূচীত মুখ্যমন্ত্ৰী লালডুহোমাই ৰাষ্ট্ৰীয় পতাকা উত্তোলন কৰি দিয়া ভাষণত তেওঁৰ নেতৃত্বত চৰকাৰে জনসাধাৰণৰ

কল্যাণৰ বাবে স্বচ্ছ প্ৰশাসনৰ ব্যৱস্থা কৰিব বুলি প্ৰতিশ্ৰুতি দিয়ে। মুখ্যমন্ত্ৰীগৰাকীয়ে কয় যে চৰকাৰখনৰ ধ্বজাবাহী আঁচনি বন-কাইহৰ অধীনত স্থানীয় শিল্পীসকলৰ দ্বাৰা উৎপাদিত সামগ্ৰী ক্ৰয়ৰ ব্যৱস্থা কৰা হৈছে। এই আঁচনিয়ে ৰাজ্যখনৰ বহু লোকক উপকৃত কৰিব বুলি তেওঁ প্ৰকাশ কৰে। তদুপৰি  মাদক দ্ৰব্যৰ প্ৰচলন আৰু সৰবৰাহ নিয়ন্ত্ৰণৰ বাবে ৰাজ্য চৰকাৰে কঠোৰ পদক্ষেপ অব্যাহত ৰাখিব বুলিও তেওঁ উল্লেখ কৰে।

চুবুৰীয়া ৰাজ্য অৰুণাচল প্ৰদেশতো আজি ৭৮ সংখ্যক স্বাধীনতা দিৱস উদযাপন কৰা হয়। এই উপলক্ষে ইটানগৰৰ ইন্দিৰা গান্ধী পাৰ্কত আয়োজিত মূল কাৰ্যসূচীত মুখ্যমন্ত্ৰী পেমা খান্দুৱে ত্ৰিংৰগা পতাকা উত্তোলন কৰে। নিজৰ ভাষণত জনসাধাৰণক স্বাধীনতা দিৱসৰ শুভেচ্ছা জনাই মুখ্যমন্ত্ৰীগৰাকীয়ে ২০৪৭ চনৰ পূৰ্বে বিকশিত অৰুণাচল গঢ়ি তোলাৰ বাবে সহযোগিতা আগবঢ়াবলৈ ৰাইজৰ প্ৰতি আহ্বান জনায়। তেওঁ লগতে ৰাজ্যখনত অপৰাধ নিয়ন্ত্ৰণৰ বাবে চৰকাৰে নতুন প্ৰযুক্তিৰ সহায় লৈছে বুলি উল্লেখ কৰে।

মণিপুৰত মুখ্যমন্ত্ৰী এন বীৰেণ সিঙে আজি স্বাধীনতা দিৱসৰ কেন্দ্ৰীয় অনুষ্ঠানত ৰাষ্ট্ৰীয় পতাকা উত্তোলন কৰি দিয়া ভাষণত ৰাজ্যখনত শান্তি প্ৰতিষ্ঠাৰ বাবে চৰকাৰ বদ্ধপৰিকৰ বুলি উল্লেখ কৰে। তেওঁ কয় যে ৰাজ্যখনত ৩৪টা স্বীকৃতি জনজাতি আছে আৰু সকলোৱে একগোট হৈ এখন ঐক্যবদ্ধ আৰু শক্তিশালী ভাৰতৰ অংশীদাৰ হ'ব লাগিব।

মেঘালয়তো আজি স্বাধীনতা দিৱসৰ কাৰ্যসূচী গ্ৰহণ কৰা হয়। এই উপলক্ষে শ্বিলঙৰ প'ল গ্ৰাউণ্ডছত আয়োজিত কেন্দ্ৰীয় কাৰ্যসূচীত মুখ্যমন্ত্ৰী কনৰাড কে চাংমাই ৰাষ্ট্ৰীয় পতাকা উত্তোলন কৰে। নিজৰ ভাষণত শ্ৰীচাংমাই ২০৩২ চনৰ ভিতৰত মেঘালয়ত বহনক্ষম উন্নয়নৰ লক্ষ্যত উপনীত কৰোৱাৰ লগতে মুঠ ঘৰৱা উৎপাদন আৰু জনমূৰি আয় বৃদ্ধিৰে দেশৰ শীৰ্ষ ১০খন ৰাজ্যৰ অন্যতম হিচাপে গঢ়ি তোলাৰ প্ৰতিশ্ৰুতিৰ কথা দোহাৰে। তেওঁ লগতে ণজ্ঞসনসম্সক৬০ শীৰ্ষক ভৱিষ্যনথি মুকলি কৰাৰ বিষয়েও উল্লেখ কৰে। উত্তৰ-পূবৰ অন্যান্য ৰাজ্যকেইখনতো আজি উৎসাহ-উদ্দীপনাৰে ৭৮ সংখ্যক স্বাধীনতা দিৱস উদযাপন কৰা হয়।

oooooooo

স্বাধীনতা দিৱসৰ দিনটোত ধেমাজি জিলাৰ আয়ুক্ত অংকুৰ ভৰালীয়ে অসামৰিক চিকিৎসালয়ত 'নৱজাতকৰ আধাৰ পঞ্জীয়ন' কক্ষৰ শুভাৰম্ভ কৰে। অনুষ্ঠানত লখিমপুৰৰ সাংসদ প্ৰদান বৰুৱা আৰক্ষী অধীক্ষক হিতেশ চন্দ্ৰ ৰায়কে ধৰি জিলা উন্নয়ন প্ৰাধিকৰণৰ অধ্যক্ষ অতিৰিক্ত আয়ুক্ত আদি কেইবাজনো বিশিষ্ট ব্যক্তি উপস্থিত থাকে।

আনহাতে, তিনিচুকীয়া অসামৰিক চিকিৎসালয় আৰু তিনিচুকীয়া চিকিৎসা মহাবিদ্যালয় হাস্পতালত জন্ম হোৱা নৱজাতকৰ প্ৰমাণ-পত্ৰ তাৎক্ষণিকভাৱে প্ৰদান কৰাৰ ব্যৱস্থা আজি শ্ৰম আৰু শ্ৰমিক কল্যাণ মন্ত্ৰী সঞ্জয় কিষাণে শুভাৰম্ভ কৰে। এই অনুসৰি দুয়োখন চিকিৎসালয়ত জন্ম লাভ কৰা নৱজাতকৰ মাতৃক চিকিৎসালয়ৰ পৰা যাবলৈ দিয়াৰ সময়তে এই প্ৰমাণ-পত্ৰ প্ৰদান কৰা হ'ব। চিকিৎসালয়খনত নৱজাতকক আধাৰ কাৰ্ড প্ৰদানৰ ব্যৱস্থাও মন্ত্ৰীগৰাকীয়ে মুকলি কৰে। এই উপলক্ষে দিয়া ভাষণত মন্ত্ৰীগৰাকীয়ে এনে অভিনৱ পদক্ষেপ গ্ৰহণ কৰাৰ বাবে জিলা প্ৰশাসনক ধন্যবাদ জ্ঞাপন কৰে। তেওঁ কয় যে সম্প্ৰতি জন্মৰ প্ৰমাণ-পত্ৰ আৰু আধাৰ কাৰ্ড এগৰাকী ব্যক্তিৰ বাবে আটাইতকৈ গুৰুত্বপূৰ্ণ নথি। তেওঁ আজি তিনিচুকীয়া চিকিৎসা মহাবিদ্যালয় হাস্পতালত ৬টা নৱজাতকৰ অভিভাৱকক জন্মৰ প্ৰমাণ-পত্ৰ আনুষ্ঠানিকভাৱে প্ৰদান কৰে।

উদোগ মন্ত্ৰী বিমল বৰাই আজি ডিব্ৰুগড়ৰ অসম চিকিৎসা মহাবিদ্যালয়ত আধাৰ সেৱা কেন্দ্ৰ আৰু নৱজাতকক তাৎক্ষণিকভাৱে জন্মৰ প্ৰমাণ-পত্ৰ প্ৰদান প্ৰক্ৰিয়াৰ শুভাৰম্ভ কৰে।

নলবাৰী চিকিৎসা মহাবিদ্যালয়ত আজি মন্ত্ৰী জয়ন্ত মল্ল বৰুৱাই নৱজাতকৰ জন্মৰ প্ৰমাণ-পত্ৰ আৰু আধাৰ সেৱা কেন্দ্ৰ মুকলি কৰে। মন্ত্ৰীগৰাকীয়ে কয় যে এতিয়াৰে পৰা শিশুৰ জন্মৰ পাছতে এই কেন্দ্ৰৰ যোগেদি আধাৰ কাৰ্ড আৰু জন্মৰ প্ৰমাণ-পত্ৰ লাভ কৰাটো সূচল হৈ উঠিব।

০০০০০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে ৭৮ সংখ্যক স্বাধীনতা দিৱস উপলক্ষে লালকিল্লাৰ পৰা প্ৰদান কৰা ভাষণত সদ্যসমাপ্ত পেৰিছ অলিম্পিকত অংশগ্ৰহণ কৰা ভাৰতীয় খেলুৱৈসকলক শুভেচ্ছা জ্ঞাপন কৰে। তেওঁ লগতে অহা ২৮ আগষ্টৰ পৰা ৮ ছেপ্তেম্বৰলৈ পেৰিছত হ'বলগীয়া পেৰালিম্পিকত অংশগ্ৰহণ কৰিবলগীয়া ভাৰতীয় এথলীটৰ দলটোৰ প্ৰতিও আন্তৰিক শুভেচ্ছা জ্ঞাপন কৰে। শ্ৰীমোদীয়ে লগতে কয় যে, ২০৩৬ চনত অলিম্পিক ক্ৰীড়া অনুষ্ঠিত কৰাৰ বাবে ভাৰতে সপোন দেখিছে আৰু ইয়াৰ বাবে যাৱতীয় প্ৰস্তুতি ইতিমধ্যে আৰম্ভ কৰা হৈছে।

০০০০০০০

এটা নিষিদ্ধ ঘোষিত উগ্ৰপন্থী সংগঠনে আজি গুৱাহাটী মহানগৰীকে ধৰি ৰাজ্যৰ কেইবাটাও স্থানত বোমা সংস্থাপন কৰা বুলি দাবী কৰাক লৈ ৰাজ্যখনত আৰক্ষীয়ে তালাচী অভিযান তীব্ৰ কৰি তোলে। ইয়াৰ পাছতে বিভিন্ন স্থানত কটকটীয়া নিৰাপত্তা ব্যৱস্থা কৰা হয়। আৰক্ষীয়ে চলোৱা অভিযানত গুৱাহাটীৰ দুটা স্থানৰ লগতে ৰাজ্যৰ অন্য কেইবাটাও স্থানতো বোমা সদৃশ সামগ্ৰী উদ্ধাৰ কৰা হয়। শিৱসাগৰ জিলাতো দুটা স্থানত বোমা বুলি সন্দেহ কৰা সামগ্ৰী উদ্ধাৰ হৈছে। আৰক্ষীয়ে বোমা বিশেষজ্ঞৰ পৰ্যবেক্ষণৰ পাছতহে এইক্ষেত্ৰত নিশ্চিত হ'ব বুলি জানিবলৈ দিছে। আৰক্ষীয়ে তাৎক্ষণিকভাৱে গ্ৰহণ কৰা ব্যৱস্থাৰ ফলত ৰাজ্যৰ কোনো স্থানতে কোনোধৰণৰ অপ্ৰীতিকৰ ঘটনা সংঘটিত হোৱা নাই। উল্লেখযোগ্য যে উগ্ৰপন্থী সংগঠন আলফা স্বাধীনে আজি গুৱাহাটী মহানগৰীৰ আঠটা স্থানৰ লগতে ৰাজ্যখনৰ ২০ টাৰো অধিক স্থানত বোমা সংস্থাপন কৰা বুলি এটা বিবৃতিযোগে দাবী কৰিছিল।

০০০০০০০

**সমাপ্ত**